# 2 0 1 4

## ASSAMESE

( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) কোন পৰিয়ালৰ ভাষা গোটেই পৃথিৱীতে বিয়পি আছে ?

(খ) কোনজন পণ্ডিতে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভিতৰত কোন ভাষাক অন্তৰ্ভুক্ত কৰা হয় ?

(ঘ) পাণিনিয়ে কোন ভাষাৰ ৰূপ নিৰ্দিষ্ট কৰি দিছিল ?

(ঙ) ভাৰতৰ একেবাৰে পূব অঞ্চলত কথিত নব্য-ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(চ) গ্ৰিয়াৰছনে কোন অঞ্চলৰ ভাষাক 'ৰাজবংশী' বুলি নামকৰণ কৰিছিল ?

(ছ) 'বড়ো' কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা ?

(জ) শ্যাম-চীন গোষ্ঠীৰ প্ৰধান ভাষা কি ?

(ঝ) অসমীয়া ভাষাৰ প্ৰধান উপভাষা দুটা কি কি ?

(ঞ) অসমীয়া ভাষাত ব্যৱহৃত দুটা খাচী শব্দ উল্লেখ কৰা ।

২ । চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ প্ৰধান ভাগ কেইটা আৰু কি কি ?

(খ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালটোৰ জন্মস্থান কি কাৰণত ইউৰোপলৈ স্থানান্তৰিত কৰা হ'ল ?

(গ) বৈদিক সাহিত্যক কালানুক্ৰমিকভাৱে কি কি তিনিটা পৰ্যায়ত ভাগ কৰিব পাৰি ?

(ঘ) অষ্ট্ৰো-এচীয় শাখাৰ দুটা ভাষাৰ নাম লিখা ।

(ঙ) নামনি অসমৰ উপভাষাক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি ?

৩ । যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা ।

(খ) অৰ্ধমাগধী প্ৰাকৃতৰ ধ্বনিতাত্ত্বিক বিশেষত্ব উল্লেখ কৰা ।

(গ) পালি-প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ মাজৰ সম্পৰ্ক নিৰূপণ কৰা।

(ঘ) অসমীয়া ভাষা বিকাশৰ স্তৰকেইটা নিৰ্দেশ কৰি আলোচনা আগবঢ়োৱা।

(ঙ) কামৰূপী উপভাষাৰ পাঁচটা ভাষাগত বৈশিষ্ট্য নিৰূপণ কৰি মান্য অসমীয়াৰ লগত ইয়াৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(চ) অসমীয়া ভাষাত তিব্বত-বৰ্মী ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে, চমুকৈ আলোচনা কৰা।

৪। (ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ চমুকৈ লিখা। ৫+৫=১০

*নাইবা*

(খ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনি পৰিৱৰ্তনৰ ধাৰা সম্পৰ্কে লিখা। ১০

৫। (ক) ভাৰতীয় আৰ্যভাষাৰ বুৰঞ্জীক কেইটা স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ বিষয়ে চমুকৈ লিখা। ৩+৭=১০

*নাইবা*

(খ) মাগধী প্ৰাকৃতৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখা। ১০

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে কেইটা মত পোৱা যায়? মতসমূহ কি কি? কোনটো মত গ্ৰহণযোগ্য বুলি ভাবা, নিজৰ যুক্তি প্ৰতিপন্ন কৰা। ১০

*নাইবা*

(খ) অসমীয়া ভাষালৈ আৰ্য-ভিন্ন উপাদান সম্পৰ্কে আলোচনা কৰা।

৭। (ক) অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা। ১০

*নাইবা*

(খ) মান্য অসমীয়া ভাষাৰ লগত গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

★★★